দিনাংক - ২০ ফেব্ৰুৱাৰী ২০১৪

# সহানুভূতিক ভুল দ্বৰে বুজা হৈছে

অৰুণ জেটলী

ৰাজ্যসভাৰ বিৰোধী দ'লৰ নেতা

বিগত কিছু দশক ধৰি বহুতো ৰাষ্ট্ৰই মৃত্যুদণ্ড উঠাই লোৱাৰ দিশত কাম কৰি আছে । ভাৰতৰো বহুত বুদ্ধিজীৱি লোকে এই দাবীত সহযোগিতা আগবঢ়াইছে । বিগত ৩ দশক ধৰি দেশত হোৱা সন্ত্ৰাসবাদীৰ উত্থানে মোৰ ধাৰণা প্ৰভাৱিত কৰিছে । যি দেশৰ জনসাধাৰণে সন্ত্ৰাসবাদৰ আতংকত ইমান ভূগিছে, সেই দেশে মৃত্যুদণ্ড উঠাই লোৱাৰ দিশত কাম কৰিব পাৰিব'নে ? সচাঁঅৰ্থত ভাৰতত বৃদ্ধি হোৱা সন্ত্ৰাসৰ আতংকৰ বাবে ভাৰতে মৃত্যুদণ্ড উঠাই লোৱা ফ'ৰামৰ সৈতে সহযোগিতা আগবঢ়াব পৰা নাই । উচ্চতম ন্যায়লয়েও মৃত্যুদণ্ড সমৰ্থন কৰাৰ লগতে কেৱল ক্ষমাবীহিন অপৰাধতহে প্ৰযোয্য গণ্য কৰিছে ।

মৃত্যুদণ্ড এতিয়াও কঠোৰ শাস্তি আৰু কেৱল ক্ষমাবিহীন অপৰাধতহে প্ৰযোয্য । উচ্চতম ন্যায়লয়েও কিছুদিন পূৰ্ব্বে মত প্ৰকাশ কৰিছে যে মৃত্যুদণ্ড বিহাত কোনো ধৰণৰ পলম হ'লেই এইয়া যাবদজীৱন কাৰাদণ্ডলৈ ৰূপান্তিৰিত হ'ব । ক্ষমাপ্ৰাৰ্থনাৰ ব্যৱস্থা গ্ৰহণ নকৰাৰ মূল কাৰণ হৈছে ৰাজ্যচৰকাৰ আৰু গৃহমন্ত্ৰালয়ে এনে বিষয়ৰ ওপৰত বিচাৰ কৰোতে পলম কৰা আৰু ৰাষ্ট্ৰপতি ভৱনেও গুৰুত্বপ্ৰদান নকৰে । পলম হোৱাৰ বাবে বহুতো মৃত্যুদণ্ড পোৱা লোকৰ শাস্তি যাৱদজীৱন কাৰাদণ্ডলৈ ৰূপান্তিৰিত হ'ল । এনে পলমৰ দায়িত্ব কোনোৱেটো ল'ব লাগিব । ৰাজীৱ গান্ধীৰ হত্যাকাৰীক সকাহ দিয়াৰ কথা সৰ্বসন্মতিক্ৰমে হৈছে যেন মই নাভাৱো । দেশৰ এজন প্ৰধানমন্ত্ৰীৰ হত্যাকাৰীক সকাহ দিয়াৰ কথা ভাৱিব'ও নোৱাৰি । এনে অপৰধমূলক ঘৃণনীয় কাৰ্য্য কৰা লোকৰ ওপৰত ৰাজনীতি কৰিব নালাগে । ৰাষ্ট্ৰীয় সুৰক্ষাত ইয়াতকৈ বেছি কোনেও আঘাত কৰিব নোৱাৰে । দেশৰ বিৰুদ্ধে সন্ত্ৰাসৰ আতংকৰ কাৰ্য্য এক অপৰাধ । ইয়াৰ শাস্তি যথেষ্ট কঠোৰ হ'ব লাগে ।